# জৈৱসুৰক্ষাই আফ্ৰিকান ছোৱাইনফিভাৰ প্ৰতিৰোধৰ উত্তম বিধান

নগেন্দ্ৰ নাথ বৰ্মণ, পংকজ ডেকা আৰু সংগীতা দাস
অনুজীৱ বিজ্ঞান বিভাগ
পশুচিকিৎসা বিজ্ঞান মহাবিদ্যালয়, খানাপাৰা

আফ্ৰিকান ছোৱাইন ফিভাৰ গাহৰিৰ এক ভাইৰাছ জনিত ৰোগ। এই ৰোগৰ বীজাণু গাহৰিৰ ক্ষেত্ৰত অতি সংক্ৰামক। ৰোগাক্ৰান্ত গাহৰিৰ মল-মুত্ৰ, মুখেৰে নিৰ্গত লালটি, নাকৰ পৰা ওলোৱা বিজলুৱা পদাৰ্থ তথা সংক্ৰমিত খাদ্য-সামগ্ৰীৰ, ৰোগাক্ৰান্ত পামৰ পৰা অহা ব্যক্তিৰ কাপোৰ, জোতা-চেন্দেল আদিৰ জৰিয়তে অতি সহজতে এই ৰোগৰ বীজাণু সুস্থ গাহৰিৰ দেহলৈ সংক্ৰমিত হব পাৰে। তাৰোপৰি অৰ্নিঠোদোৰচ (**Ornithodoros**) নামৰ এটি চিকৰা এই ৰোগৰ বীজাণুৰ বাহক হিচাপে কাম কৰে।

## ৰোগৰ লক্ষণঃ

ঃ এই ৰোগত আক্ৰান্ত গাহৰিৰ হঠাৎ ভীষণ জ্বৰ উঠে।
ঃ খাবলৈ মন নকৰে, উশাহ-নিশাহত কষ্ট পায় ?
ঃ নাক আৰু চকুৰ পৰা পানী ওলায় ?
ঃ কান-বুকু-পেট বা ঠেঙৰ ছালত ৰঙচুৱা চেকুৰা বান্ধে।
ঃ তেজ হাগনী হয়।
ঃ গৰ্ভৱতী গাহৰিয়ে বিনাশ দিয়ে।

তেনে লক্ষণ দেখুওৱা গাহৰি টোক আতৰাই ওচৰৰ পশু চিকিৎসকক খবৰ দিব লাগে।

## জৈৱ সুৰক্ষাই ৰোগ প্ৰতিকাৰৰ উত্তম বিধানঃ

গাহৰিৰ পালক সকলে এই ৰোগ তথা গাহৰিৰ সচৰাচৰ দেখা দিয়া ৰোগ বোৰৰ পৰাও নিজৰ পামৰ গাহৰি কেইটা বচাই ৰাখিবলৈ নিম্নলিখিত জৈৱ সুৰক্ষা (**Biosecurity**)ৰ পদ্ধতিৰ ওপৰত গুৰত্ব প্ৰদান কৰা নিতান্তই প্ৰয়োজনীয়।

| | |
|---|---|
| | ৰোগাক্ৰান্ত অঞ্চলত থকা গাহৰি পাম খন ৩ মিটাৰ আতৰেৰে বেৰ দি চৌপাশ আৱৰি পেলাব লাগে। |
| | বৰ্তমান ৰোগ সংক্ৰমণৰ সময়ত অসংগঠিত ৰূপত পালন কৰা গাহৰি কেইটাকো আবদ্ধ কৰি ৰখা উচিত। |
| | পালক সকলে নিতৌ অতি কমেও ২-৩ বাৰ নিজৰ গাহৰি জাকৰ ওপৰত দৃষ্টি ৰাখি ৰুগীয়া গাহৰিক যিমান পাৰি সোনকালে চিনাক্ত কৰি আতৰত আচুতীয়াকৈ ৰাখিব লাগে। |

| | |
|---|---|
|  | পামত কাম কৰা ব্যক্তি বা অন্য দৰ্শনাৰ্থীৰ জোতা বা চেনেন্দলৰ জৰিয়তেও এই ৰোগৰ বীজাণু পামত প্ৰৱেশ কৰিব পাৰে। সেই বাবে ফুট বাথত বীজাণুনাশক দ্ৰব্য যেনে পটাছ (৩ গ্ৰাম ১০ লিটাৰ পানীত) মিহলি পানীত নিজৰ জোতা তিয়াই প্ৰৱেশ কৰা অতি প্ৰয়োজনীয়। |
| | পামৰ কৰ্মচাৰীয়ে আচুতীয়াকে ৰখা পৰীস্কাৰ কাপোৰ পৰিধান কৰিহে কাম কৰিব লাগে। |
| | পামত কাম কৰা ব্যক্তি জনে সদায় গাহৰি কেইটাক দানা-পানীৰ যোগান ধৰা সময়ত ক্ৰম অনুযায়ী প্ৰথমে সুস্থ আৰু শেষৰ ফালে ৰোগাক্ৰান্ত গাহৰিৰ ওচৰ চাপিব লাগে। |
|  | গাহৰিক দানা-পানী দিয়া পাত্ৰ সমূহ নিতৌ বীজাণু নাশক দ্ৰব্য মিহলি কৰা পানীৰে পৰিস্কাৰকৈ ধুব লাগে। |
| | পাম ঘৰৰ মজিয়া নিতৌ ব্লিচিং (২৫-৫০ গ্ৰাম প্ৰতি লিটাৰ পানীত মিহলাই) বা কস্তিক চʼদা (১০ ১৫ গ্ৰাম প্ৰতি লিটাৰ পানীত মিহলাই)-ৰ দ্বাৰা পৰিস্কাৰ কৈ ধুৱ লাগে। |
|  | মাজে মাজে পামৰ চাৰিওফালে ব্লিচিং বা চূণ ৰ গুৰি চটিয়াব পাৰে। |
| | পামখন সপ্তাহত দুই তিনিদিন ফৰ্মালিন (৬-১০ মিলি লিটাৰ পানীত মিহলাই) বা অন্য ভাইৰছ নাশক (Virkons) (দ্ৰব্য স্প্ৰে (Spray) কৰিব লাগে। |
|  | বৰ্তমান ৰোগৰ সংক্ৰমণ চলি থকা সময়ত গাহৰি কিনা বেচা কৰা উচিত নহয়। তথা গাহৰি জাত সামগ্ৰিসমূহ বেচা -কিনা নিশিদ্ধ কৰিব লাগে। |
|  | মৃত গাহৰিক পামৰ পৰা ৫-৬ ফুট আতৰত দʼ গাত কৰি লগত চূণ ঢালি পুতি পেলাব লাগে। |
|  | ঘৰৰ বা হোটেলৰ পেলনীয়া খাদ্য উতলাইহে খুউৱাব লাগে। |
| | পামৰ গাহৰিক সনতুলীত খাদ্য (Balanced feed) তথা পৰিস্কাৰ পানী যোগান ধৰাটো নিতান্তই প্ৰয়োজনীয়, অন্যথা পুস্তিহীনতাৰ বাবে গাহৰি কেইটাৰ ৰোগৰ বিৰুদ্ধে যুঁজিব পৰা ক্ষমতা হ্ৰাস পোৱাটো স্বাভাৱিক। |
|  | বনৰীয়া গাহৰিৰ লগত ঘৰচীয়া গাহৰি কেইটা লগ হʼবলৈ নিদিব। |

ড° নগেন্দ্ৰ নাথ বৰ্মন, প্ৰকল্প সমন্বয়ক, ডি বি টি, এডমেক, অনুজীৱ বিজ্ঞান বিভাগ, পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়, অসম কৃষি বিশ্ববিদ্যালয়, খানাপাৰাৰ দ্বাৰা প্ৰস্তুত আৰু সম্প্ৰসাৰন শিক্ষা সঞ্চালকালয়, অসম কৃষি বিশ্ববিদ্যালয় খানাপাৰাৰ দ্বাৰা জনহিতাৰ্থে প্ৰচাৰিত